# NSD NEWS BULLETIN
# ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 15-09-2024
**Time :** 0705 hrs

*Assamese Morning Bulletin*
# HEADLINES

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আজি তিনি দিনীয়া কাৰ্যসূচীৰে ঝাৰখণ্ড, গুজৰাট আৰু ওড়িশা ভ্ৰমণলৈ যাব।

২। কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে সন্ত্ৰাসবাদৰ বিৰুদ্ধে গ্ৰহণ কৰা ব্যৱস্থাসমূহ অধিক শক্তিশালী কৰাৰ উদ্দেশ্যে এন আই এ আৰু ৰাজ্যিক সন্ত্ৰাসবাদ বিৰোধী গোটসমূহৰ মাজত সহযোগিতা আৰু সমন্বয় বৃদ্ধিৰ প্ৰয়োজন সন্দৰ্ভত গুৰুত্ব আৰোপ কৰিছে।

৩। দূৰদৰ্শনে আজি নিজৰ গৌৰৱময় যাত্ৰাৰ ৬৫ বছৰ সম্পূৰ্ণ কৰিছে।

৪। কলকাতাৰ এগৰাকী চিকিৎসকৰ জঘন্য ধৰ্ষণ আৰু হত্যাকাণ্ডৰ ঘটনা সন্দৰ্ভত চি বি আয়ে আৰ জি কৰ চিকিৎসা মহাবিদ্যালয় হাস্পাতালৰ প্ৰাক্তন অধ্যক্ষ সন্দীপ ঘোষ আৰু টালা আৰক্ষী চকীৰ ভাৰপ্ৰাপ্ত বিষয়া অভিজিৎ মণ্ডলক গ্ৰেপ্তাৰ কৰিছে।

*আৰু*

৫। ব্ৰুছেলছত অনুষ্ঠিত ডাইমণ্ড লীগৰ ফাইনেলত ভাৰতৰ নীৰজ চোপ্ৰাই দ্বিতীয় স্থান দখল কৰিছে।

ooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আজি তিনি দিনীয়া কাৰ্যসূচীৰে ঝাৰখণ্ড, গুজৰাট আৰু ওড়িশা ভ্ৰমণলৈ যাব। শ্ৰী মোদী আজি ঝাৰখণ্ডলৈ যাব আৰু জামছেদপুৰৰ টাটা নগৰ ৰে'লৰে ষ্টেচনৰ পৰা টাটা নগৰ-পাটনা বন্দে ভাৰত ৰে'ল গাড়ীকে ধৰি ৬ খন বন্দে ভাৰত এক্সপ্ৰেছ ৰে'লগাড়ীৰ যাত্ৰা পতাকা জোকাৰি শুভাৰম্ভ কৰিব। ৰে'ল নেটৱৰ্কৰ আধুনিকীকৰণ আৰু ঝাৰখণ্ড তথা চুবুৰীয়া ৰাজ্যসমূহৰ যোগাযোগ ব্যৱস্থা সুদৃঢ় কৰাৰ উদ্দেশ্যে গ্ৰহণ কৰা প্ৰয়াসৰ অংশ হিচাপে এই ৰে'লগাড়ীসমূহৰ যাত্ৰাৰ শুভাৰম্ভ কৰা হ'ব। শ্ৰী মোদীয়ে লগতে ৬ হেজাৰ কোটিৰো অধিক টকা ব্যয় সাপেক্ষ কেইবাটাও গুৰুত্বপূৰ্ণ ৰে'ল প্ৰকল্পৰ শুভাৰম্ভ আৰু আধাৰশিলা স্থাপন কৰা হ'ব।

তেওঁ লগতে টাটা নগৰত প্ৰধানমন্ত্ৰী আবাস যোজনা গ্ৰামীনৰ ২০ হাজাৰ হিতাধিকাৰীৰ মাজত অনুদান পত্ৰ বিতৰণ কৰিব। এই উপলক্ষে আয়োজিত অনুষ্ঠানত কেন্দ্ৰীয় মন্ত্ৰী শিৱৰাজ সিং চৌহান, অসমৰ মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মা আৰু ঝাৰখণ্ড বিজেপিৰ মুৰব্বী বাবুলাল মাৰান্দিও উপস্থিত থাকিব। শ্ৰী চৌহানে কয় যে, প্ৰধানমন্ত্ৰীয়ে মাত্ৰ এটা ক্লিকৰ জৰিয়তে হিতাধিকাৰীসকলৰ বেংক একাউণ্টত ৫ কোটিৰো অধিক টকা প্ৰত্যক্ষভাৱে হস্তান্তৰ কৰিব।

৪৬ হাজাৰ হিতাধিকাৰীৰ নৱনির্মিত বাসগৃহৰ গৃহ প্ৰৱেশ কাৰ্যসূচীও অনুষ্ঠিত কৰা হ'ব বুলি শ্ৰী চৌহানে লগতে জানিবলৈ দিয়ে। এই অনুষ্ঠানৰ পূৰ্বে শ্ৰী মোদীয়ে ডেৰ কিলোমিটাৰ জোৰা এটা ৰোড শ্ব'তো অংশগ্ৰহণ কৰিব।

কাইলৈ শ্ৰী মোদীয়ে গুজৰাটৰ গান্ধী নগৰত প্ৰধানমন্ত্ৰী সূৰ্য ঘৰ বিনামূলীয়া বিদ্যুৎ যোজনাৰ হিতাধিকাৰীসকলৰ সৈতে মত বিনিময় কৰিব। তেওঁ লগতে গান্ধী নগৰৰ মহাত্মা মন্দিৰত চতুৰ্থ গোলকীয় নৱীকৰণযোগ্য শক্তি বিনিয়োগকাৰীসকলৰ সন্মিলন আৰু প্ৰদৰ্শনী মুকলি কৰিব। সন্ধিয়াৰ ভাগলৈ শ্ৰী মোদীয়ে আহমেদাবাদত ৮ হাজাৰ কোটিৰো অধিক টকা ব্যয় সাপেক্ষ কেইবাটাও উন্নয়নমূলক প্ৰকল্পৰ শুভাৰম্ভ আৰু আধাৰশিলা স্থাপন কৰিব।

মঙলবাৰে প্ৰধানমন্ত্ৰী গৰাকী ওড়িশালৈ যাব। তাত তেওঁ প্ৰধানমন্ত্ৰী আবাস যোজনা-নগৰীয়াৰ হিতাধিকাৰীসকলৰ সৈতে মত বিনিময় কৰিব। শ্ৰী মোদীয়ে ভূবনেশ্বৰত তিনি হাজাৰ ৮০০ কোটিৰো অধিক টকা ব্যয় সাপেক্ষ বহুকেইটা উন্নয়নমূলক প্ৰকল্পৰ শুভাৰম্ভ আৰু আধাৰশিলা স্থাপন কৰিব।

ooooo

কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে সন্ত্ৰাসবাদৰ বিৰুদ্ধে গ্ৰহণ কৰা ব্যৱস্থাসমূহ অধিক শক্তিশালী কৰাৰ উদ্দেশ্যে এন আই এ আৰু ৰাজ্যিক সন্ত্ৰাসবাদ বিৰোধী গোটসমূহৰ মাজত সহযোগিতা আৰু সমন্বয় বৃদ্ধিৰ প্ৰয়োজন সন্দৰ্ভত গুৰুত্ব আৰোপ কৰিছে। নতুন দিল্লীত কালি দুদিনীয়া ৰাষ্ট্ৰীয় সুৰক্ষা কৌশল সন্মিলনৰ দ্বিতীয় দিনৰ কাৰ্যসূচীৰ অধ্যক্ষতা কৰি মন্ত্ৰীগৰাকীয়ে এই কথা প্ৰকাশ কৰে। নিজৰ ভাষণত গৃহমন্ত্ৰীগৰাকীয়ে ২০৪৭ চনৰ ভিতৰত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ সমৃদ্ধিশালী, শক্তিশালী আৰু বিকশিত ভাৰতৰ লক্ষ্যত উপনীত হোৱাৰ দিশে সহযোগিতাৰে কাম কৰি যাবলৈ ৰাজ্যসমূহৰ আৰক্ষী সঞ্চালক প্ৰধানসকললৈ আহ্বান জনায়। শ্ৰী শ্বাহে লগতে মাওবাদী বিৰোধী পদক্ষেপসমূহৰ সাফল্যতো সন্তুষ্টি প্ৰকাশ কৰে। গৃহমন্ত্ৰীগৰাকীয়ে কয় যে, দেশে জম্মু-কাশ্মীৰ, বাওঁপন্থী উগ্ৰবাদ আৰু উত্তৰ-পূবকে ধৰি ৰাষ্ট্ৰীয় সুৰক্ষাৰ সৈতে জড়িত পুৰণি সমস্যাসমূহ সমাধানৰ ক্ষেত্ৰত যথেষ্ট অগ্ৰগতি লাভ কৰা কৰিছে।

ooooo

দূৰদৰ্শনে আজি নিজৰ গৌৰৱময় যাত্ৰাৰ ৬৫ বছৰ সম্পূৰ্ণ কৰিছে। ১৯৫৯ চনৰ ১৫ ছেপ্টেম্বৰত প্ৰতিষ্ঠা হোৱা দূৰদৰ্শনৰ জৰিয়তে ভাৰতে সম্প্ৰচাৰ যুগৰ পাতনি মেলিছিল। সেই সময়ৰ ৰাষ্ট্ৰপতি ৰাজেন্দ্ৰ প্ৰসাদে আনুষ্ঠানিক ভাবে দূৰদৰ্শনৰ এই যাত্ৰাৰ শুভাৰম্ভ কৰিছিল। ১৯৭৫ চনলৈকে দূৰদৰ্শন অল ইণ্ডিয়া ৰেডিঅ'ৰ এটা অংশ আছিল। ১৯৭৬ চনৰ ১ এপ্ৰিলত ই তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰালয়ৰ এটা সুকীয়া বিভাগলৈ ৰূপান্তৰিত হয় আৰু পিছলৈ প্ৰসাৰ ভাৰতীৰ অধীনলৈ আহে। আজিও দূৰদৰ্শন ভাৰতৰ সৰ্ববৃহৎ সম্প্ৰচাৰ সত্তা হিচাপে পৰিচিত হৈ আছে।

ooooo

কেৰালাত আজি ৰাজ্যখনৰ সৰ্ববৃহৎ সাংস্কৃতিক উৎসৱ অ'নাম উদযাপন কৰা হৈছে। বিশ্বৰ বিভিন্ন প্ৰান্তত বাস কৰা কেৰালাৰ লোকসকলে আজি সম্পূৰ্ণ উৎসাহ উদ্দীপনাৰে এই উৎসৱ পালন কৰিছে।

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে অ'নাম উপলক্ষে দেশবাসীলৈ শুভেচ্ছা জ্ঞাপন কৰিছে। এটা বাৰ্তাত ৰাষ্ট্ৰপতিগৰাকীয়ে কয় যে, অ'নাম হৈছে কেৰেলাৰ চহকী সাংস্কৃতিক ঐতিহ্য আৰু পৰম্পৰা উদযাপনৰ এটা উপলক্ষ্য। তেওঁ কয় যে, এয়া হৈছে শস্য চপোৱা এটা উৎসৱ আৰু ৰাজ্যখনৰ সাংস্কৃতিক ঐতিহ্য আৰু পৰম্পৰা উদযাপন কৰাৰ সময়। তেওঁ লগতে কঠোৰ পৰিশ্ৰমেৰে ৰাষ্ট্ৰক শস্যৰ যোগন ধৰা খেতিয়কসকলৰ প্ৰতিও কৃতজ্ঞতা জ্ঞাপন কৰে। শ্ৰীমতী মুৰ্মুৱে কয় যে, সমৃদ্ধিৰ এই উৎসৱে সামাজিক বান্ধোনক উদগনি দিবলৈও জনসাধাৰণক উৎসাহিত কৰে।

ooooo

কলকাতাৰ এগৰাকী চিকিৎসকৰ জঘন্য ধৰ্ষণ আৰু হত্যাকাণ্ডৰ ঘটনা সন্দৰ্ভত চি বি আয়ে আৰ জি কৰ চিকিৎসা মহাবিদ্যালয় হাস্পাতালৰ প্ৰাক্তন অধ্যক্ষ সন্দীপ ঘোষ আৰু টালা আৰক্ষী চকীৰ ভাৰপ্ৰাপ্ত বিষয়া অভিজিৎ মণ্ডলক গ্ৰেপ্তাৰ কৰিছে। যোৱা মাহত সংঘটিত এই দুৰ্ভাগ্যজনক ঘটনাৰ প্ৰমাণ নষ্ট কৰা আৰু তদন্ত প্ৰক্ৰিয়া বিপথে পৰিচালিত কৰাৰ অভিযোগত কালি তেওঁলোকক গ্ৰেপ্তাৰ কৰা হয়। কলকাতা আৰক্ষীৰ আৰু দুগৰাকী বিষয়াও চি বি আইৰ নিৰীক্ষণত আছে। তদন্তকাৰী সংস্থাটোৱে এই ঘটনা সন্দৰ্ভত টালা আৰক্ষী চকীৰ এগৰাকী উপ-পৰিদৰ্শককো সোধাপোছা কৰি আছে। ইয়াৰ পূৰ্বে চি বি আয়ে বিত্তীয় খেলিমেলি বিষয়ক আন এটা ঘটনা সন্দৰ্ভত সন্দীপ ঘোষক আটক কৰিছিল।

ooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে অহা ২৯ ছেপ্তেম্বৰত আকাশবাণীৰ মন কী বাত অনুষ্ঠানৰ যোগেদি দেশ-বিদেশৰ জনসাধাৰণৰ আগত মনৰ ভাব ব্যক্ত কৰিব। এয়া হ'ব অনুষ্ঠানটিৰ ১১৪ সংখ্যক খণ্ড।

প্ৰধানমন্ত্ৰীয়ে এই অনুষ্ঠানৰ বাবে জনসাধাৰণৰ পৰা দিহা পৰামৰ্শ বিচাৰিছে। জনসাধাৰণে ১৮০০-১১-৭৮০০ এই শুল্কবিহীন নম্বৰলৈ ফোন কৰি প্ৰধানমন্ত্ৰীলৈ দিহা পৰামৰ্শ আগবঢ়াব পাৰিব। তেওঁলোকে লগতে নৰেন্দ্ৰ মোদী এপ অথবা মাই গভ মুকলি মঞ্চৰ যোগেদিও পৰামৰ্শ আগবঢ়াব পাৰিব। অনুষ্ঠানটিৰ আসন্ন খণ্ডৰ বাবে ২৭ ছেপ্তেম্বৰ পৰ্যন্ত পৰামৰ্শ গ্ৰহণ কৰা হ'ব।

আকাশবাণী - দূৰদৰ্শনৰ সমগ্ৰ নেটৱৰ্কৰ লগতে আকাশবাণীৰ ৱেবছাইট আৰু নিউজ অন এয়াৰ মোবাইল এপযোগে ২৯ ছেপ্তেম্বৰত দিনৰ ১১ বজাত এই অনুষ্ঠান প্ৰচাৰ কৰা হ'ব। আকাশবাণী, দূৰদৰ্শন নিউজ, প্ৰধানমন্ত্ৰী কাৰ্যালয় আৰু তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰালয়ৰ ইউটিউব চেনেলযোগেও এই অনুষ্ঠানৰ প্ৰচাৰ কৰা হ'ব। আকাশবাণীয়ে প্ৰচাৰ হোৱাৰ ঠিক পাছতেই অনুষ্ঠানটিৰ আঞ্চলিক ভাষান্তৰ প্ৰচাৰ কৰিব।

ooooo

ৰাছিয়া আৰু ইউক্ৰেইনৰ মাজত চলি থকা যুদ্ধৰ সময়ত বন্দী হোৱা উভয় দেশৰ ২০৬জন যুদ্ধবন্দীক মুকলি কৰি দিয়া হৈছে। ৰাছিয়াৰ প্ৰতিৰক্ষা মন্ত্ৰালয়ে জনোৱা মতে, ইউক্ৰেইনে কুৰ্স্ক অঞ্চলত বন্দী কৰি ৰখা মুঠ ১০৩ জন ৰাছিয়ান সেনা জোৱানক মুকলি কৰি দিয়ে । ইয়াৰ বিনিময়ত ৰাছিয়াইও ১০৩ জন ইউক্ৰেইনৰ যুদ্ধবন্দীক মুকলি কৰি দিয়ে। মন্ত্ৰালয়ে জনোৱা মতে সংযুক্ত আৰব এমেৰিটছৰ মধ্যস্থতাত যুদ্ধবন্দী সকলক মুকলি কৰি দিয়া

হয়। ইউক্ৰেইনৰ ৰাষ্ট্ৰপতি ভল'ডিমাৰ জেলেনস্কিয়ে কয় যে ইউক্ৰেইনৰ ২১ গৰাকী বিষয়াসহ মুঠ ১০৩জন সৈন্যক মুকলি কৰি দিয়া হৈছে।০০০০০

০০০০০

ব্ৰুছেলছত অনুষ্ঠিত হৈ থকা ডাইমণ্ড লীগৰ ফাইনেলত ভাৰতৰ দুবাৰৰ অলিম্পিক পদক বিজয়ী নীৰজ চোপ্ৰাই দ্বিতীয় স্থান দখল কৰিছে। কালি নিশা অনুষ্ঠিত ফাইনেল খেলখনত ভাৰতীয় এথলীট গৰাকীয়ে ৮৭. ৮-৬ মিটাৰ দূৰত্বলৈ জেভলীন নিক্ষেপ কৰি এই পদক হস্তগত কৰে। নীৰজ চোপ্ৰাই মাত্ৰ ১ চেণ্টিমিটাৰৰ ব্যৱধানত শীৰ্ষ স্থান লাভ কৰাৰ পৰা বঞ্চিত হয়। পেৰিছ অলিম্পিকৰ ব্ৰঞ্জৰ পদক বিজয়ী এণ্ডাৰছন পিটাৰ্ছে ৮৭.৮-৭ মিটাৰ দূৰত্বলৈ জেভলিন নিক্ষেপ কৰি  শীৰ্ষ স্থান দখল কৰে। ইফালে, জাৰ্মানীৰ জুলিয়ান ৰেবাৰে তৃতীয় স্থান দখল কৰে। উল্লেখযোগ্য যে ক্ৰমাগত দ্বিতীয় বাৰৰ বাবে নীৰজ চোপ্ৰাই ডাইমণ্ড লীগত দ্বিতীয় স্থান লাভ কৰিছে। ২০২৩ চনত চেক গণৰাজ্যৰ জাকুব ভাডলেজৰ হাতত নীৰজ চোপ্ৰা পৰাস্ত হৈছিল।  সেইবাৰ নীৰজে ৮৩.৮-০ মিটাৰ নিক্ষেপ কৰাৰ বিপৰীতে ভাডলেজে ৮৪.২-৪ মিটাৰ নিক্ষেপ কৰি প্ৰথম স্থান লাভ কৰিছিল।

০০০০০

বুডাপেষ্টত অনুষ্ঠিত ২০২৪ বৰ্ষৰ দবা অলিম্পিয়াডত কালি চতুৰ্থ ৰাউণ্ডৰ মুকলি আৰু মহিলা দুয়োটা শাখাতে  ভাৰতীয় দলটোৱে ৩.৫ আৰু ০.৫ ফলাফলত বিজয় সাব্যস্ত কৰে। মুকলি শাখাত ভাৰতীয় দলটোৱে ছাৰবিয়াক পৰাস্ত কৰাৰ বিপৰীতে ভাৰতীয় মহিলা দলে ফ্ৰান্সৰ বিৰুদ্ধে জয়লাভ কৰে। খেলখনৰ আজি পঞ্চম ৰাউণ্ডত মহিলা দলটো  কাজাখস্তানৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।আনহাতে মুকলি শাখাৰ পঞ্চম ৰাউণ্ডত ভাৰতীয় দলটো আজাৰবাইজানৰ মুখামুখি হ'ব।

০০০০০

**সমাপ্ত**